# Launch of brochure outlining India's priorities as part of campaign for UNSC elected seat

05 June 2020

## UNSC নিৰ্বাচিত আসনৰ কাৰণে প্ৰচাৰ কাৰ্যৰ অংশ হিচাপে ভাৰতৰ অগ্ৰাধিকাৰসমূহক ৰেখাঙ্কিত কৰা সৰু পুস্তিকাৰ শুভাৰম্ভ

5 জুন 2020

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এচ. জয়শংকৰে আজি আগন্তুক 17 জুন, 2020 তাৰিখে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদত এটি স্থান সংৰক্ষিত কৰিবৰ বাবে ভাৰতৰ অগ্ৰাধিকাৰসমূহ অংকিত কৰি এখনি ইস্তাহাৰ মুকলি কৰে।

এছিয়া-পেচিফিক গোটৰ একক সমৰ্থিত প্ৰতিদ্বন্দী ৰূপে ভাৰতৰ প্ৰতিদ্বন্দিতা সফল হোৱাৰেই সম্ভাৱনা অধিক। এনে ক্ষেত্ৰত, ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদত ই হ'ব ভাৰতৰ অষ্টমটো কাৰ্যকাল; এই দুবছৰীয়া কাৰ্যকাল জানুৱাৰী, 2021ৰ পৰা আৰম্ভ হ'ব।

তেওঁৰ মন্তব্যত, আন্তৰ্জাতিক শান্তি আৰু সুৰক্ষাৰ প্ৰতি থকা নতুন আৰু পাৰম্পৰিক প্ৰত্যাহ্বানসমূহৰ পৰিপ্ৰেক্ষিতত, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সুৰক্ষা পৰিষদে সন্মুখীন হ'বলগীয়া আন্তৰ্জাতিক প্ৰেক্ষাপটসমূহৰ কথা আঙুলিয়াই।

বৰ্তমানে চলি থকা ক'ভিড-19 মহামাৰীয়ে ৰাজ্যসমূহৰ তেওঁলোকৰ স্থানীয়, আঞ্চলিক আৰু বিশ্বজোৰা প্ৰত্যাহ্বানসমূহৰ সৈতে যুঁজ দিয়াৰ ক্ষমতা সীমিত কৰাৰ লগতে এক অধিক জটিল আন্তৰ্জাতিক অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি কৰিছে।

ড° জয়শংকৰে সংযম ৰক্ষাকাৰী, বুজাবুজিৰ প্ৰতি আগ্ৰহী আৰু আন্তৰ্জাতিক আইনৰ প্ৰবক্তাৰূপে ভাৰতে দীৰ্ঘদিন ধৰি পালন কৰি অহা ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ আন্ত:ৰাষ্ট্ৰীয় সম্বন্ধৰ কাৰণে ভাৰতৰ দৃষ্টিকোণ নিৰ্ধাৰণ কৰে যিয়ে পৰিষদৰ দুবছৰীয়া কাৰ্যকালৰ বাবে মনোনীত হোৱাৰ পিছত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ সন্মুখত ভাৰতৰ বৈদেশিক নীতি স্থাপন কৰিব।

মন্ত্ৰীগৰাকীৰ দ্বাৰা এখনি ইস্তাহাৰ ৰূপে প্ৰকাশ কৰা অগ্ৰাধিকাৰ পোৱা বিষয়সমূহৰ পত্ৰত উল্লেখ কৰা মূল অগ্ৰাধিকাৰসমূহ এনেধৰণৰ:

I. প্ৰগতিৰ বাবে নতুন সুযোগ

ii. আন্ত:ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ প্ৰতি কাৰ্যকৰী প্ৰতিক্ৰিয়া

iii. বহুপাক্ষিক ব্যৱস্থাৰ সংশোধন

iv. আন্ত:ৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ প্ৰতি এক বিস্তৃত পদক্ষেপ

v. সমাধানৰ চালকৰ ৰূপত মানৱীয় স্পৰ্শৰে প্ৰযুক্তিৰ প্ৰসাৰ

প্ৰধানমন্ত্ৰীদেৱে নিৰ্ধাৰিত কৰাৰ দৰে ভাৰতৰ পদক্ষেপ পাঁচটা এচ.ৰে আৰম্ভ হ'ব:

- সন্মান (শ্ৰদ্ধা)
- সম্বাদ (আলোচনা)
- সহযোগ (সহযোগিতা/সমন্বয়)
- শান্তি (বিশ্ব শান্তিৰ বাবে শান্তিৰ পৰিৱেশ সৃষ্টি কৰা)
- সমৃদ্ধি (প্ৰগতি)

ৰাষ্ট্ৰসংঘ সুৰক্ষা পৰিষদত কটাবলগীয়া ভাৰতৰ এই দুবছৰীয়া কাৰ্যকালৰ উদ্দেশ্য হ'ব এন.অ'.আৰ.এম.এচ.ৰ (N.O.R.M.S.) প্ৰাপ্তি: যি হৈছে বহুপাক্ষিক ব্যৱস্থাৰ সংশোধন এক নতুন দিকদৰ্শন।

**নতুন দিল্লী;**
**5 জুন 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.